**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-04-2025 **Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ দ্বাৰা ৰাজ্যখনত ৰূপায়িত আন্তঃগাঁথনি প্ৰকল্পসমূহৰ শেহতীয়া স্থিতি সম্পৰ্কে কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংস্থাটোৰ পৰিচালন সঞ্চালক ড° কৃষণ কুমাৰৰ সৈতে আলোচনা কৰে। সংস্থাটোৰ অধীনত ২৫ হাজাৰ কোটি টকাৰ গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ ঘাইপথ প্ৰকল্প, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথ আৰু বাইহাটা চাৰিআলি-তেজপুৰ আৰু গহপুৰ-কুলাজান ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কৰ সম্প্ৰসাৰণ প্ৰকল্প ৰূপায়ণ কৰা হৈছে। নতুন দিল্লীত কালি মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় সাৰ দপ্তৰৰ সচিব ৰজত কুমাৰ মিশ্ৰক সাক্ষাৎ কৰে। শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনোৱা নামৰূপৰ ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ ব্ৰাউন ফিল্ড এম'নিয়া পৰিসৰ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সচিবগৰাকীৰ সৈতে আলোচনা কৰে।

0000000

দুদিনীয়া ভ্ৰমণসূচীৰে কাজিৰঙাত উপস্থিত হোৱা ক্ৰিকেটাৰ শচীন টেণ্ডুলকাৰে আজি পুৱা হাতী আৰু জীপ ছাফাৰী কৰি ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰে। ৰাষ্ট্ৰীয় উদ্যানখনত উপস্থিত হোৱাৰ সময়ত অনুৰাগীয়ে তেওঁক সাক্ষাৎ কৰাৰ বাবে ভিৰ কৰে। বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শনৰ বাবে শচীন টেণ্ডুলকাৰে কালি সপৰিয়ালে কঁহৰাত উপস্থিত হৈছিল। কঁহৰাৰ এটা ব্যক্তিগত পৰ্যটন নিবাসত খেলুৱৈগৰাকী পৰিয়ালৰ লোকসকলৰ সৈতে উপস্থিত হোৱাৰ লগে লগে নিবাস কৰ্তৃপক্ষই ঢোলে-ডগৰে, গীতে-মাতে ক্ৰিকেটাৰগৰাকীক আদৰণি জনায়। ক্ৰিকেটাৰগৰাকীৰ আগমনৰ খবৰ পাই কাজিৰঙা ৰিজৰ্টৰ বাহিৰতো ভালেমান অনুৰাগী আৰু গুণমুগ্ধই ভিৰ কৰে। খেলুৱৈগৰাকী তথা তেওঁৰ পৰিয়ালৰ লোকসকলক উদ্যান দৰ্শন কৰোৱাৰ লগতে কাজিৰঙাৰ অন্যান্য ঠাইতো ভ্ৰমণৰ সুবিধা কৰি দিব বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। ব্যক্তিগত পৰ্যটন নিবাসৰ গৰাকীয়ে জনোৱা মতে ক্ৰিকেটাৰ গৰাকীৰ পৰিয়ালক অসমৰ থলুৱা খাদ্য সম্ভাৰেৰে আপ্যায়ণ কৰা হৈছে। কাজিৰঙাত উপস্থিত হোৱাৰ পূৰ্বে ক্ৰিকেটাৰ গৰাকীয়ে কালি শ্বিলঙৰ পৰা আহি কলিয়াবৰৰ মিছাত অৱস্থিত পল' ক্লাবত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। পল' ক্লাবতো বহুসংখ্যক অনুগাৰীয়ে খেলুৱৈগৰাকীক গামোচাৰে শুভেচ্ছা জ্ঞাপন কৰে।

0000000

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহে বৈঠক অনুষ্ঠিত কৰি এই নিৰ্বাচনৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিছে। ইপিনে, ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে। যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। জিলা আয়ুক্ত জয় শিৱানীয়ে আজি পূৰ্ব বাঘচোং উন্নয়ন খণ্ডৰ কাৰ্যালয় আৰু ৫১ নম্বৰ বাঘচোং চৰাইবাহী গাঁও পঞ্চায়ত পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়।

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত জিলা আয়ুক্ত কাৰ্যালয়ত কালি স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে সমাগত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। সভাত নিৰ্বাচনী বিষয়াই পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল, প্ৰাৰ্থীৰ নিৰ্বাচনী চিহ্নৰ বাছনি তথা নিৰ্বাচনৰ বিভিন্ন নিয়মাৱলী সন্দৰ্ভত প্ৰতিনিধিসকলক অৱগত কৰে। সভাত জিলা আয়ুক্তই এই নিৰ্বাচনী প্ৰক্ৰিয়া সূচাৰুৰূপে পৰিচালনাত সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

কামৰূপ জিলা প্ৰশাসনেও এই নিৰ্বাচনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰাৰ লগতে মনোনয়ন প্ৰক্ৰিয়া সুকলমে চলোৱাৰ বাবে বিভিন্ন পৰ্যায়ত জিলাখনত ৩৮ গৰাকী আৰু ৰঙিয়া সম জিলাত ৪ গৰাকী বিষয়া নিয়োগ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪ খন জিলা পৰিষদ, ১৩৯ খন পঞ্চায়ত আৰু ১৩৯ খন আঞ্চলিক পঞ্চায়ত আছে। জিলাখনৰ চাৰিটা বিধানসভা সমষ্টিত কামৰূপ নিৰ্বাচনী জিলাই আৰু দুটা সমষ্টিত ৰঙিয়া সম জিলাই নিৰ্বাচন অনুষ্ঠিত কৰিব।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া ৩ এপ্ৰিলত আৰম্ভ হৈছে আৰু ১১ এপ্ৰিলত অন্ত পৰিব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

ooooooo

ডিব্ৰুগড়ৰ মানকটা পথত নতুনকৈ নিৰ্মাণ কৰা উৰণীয়া সেতুখন বাগ্মীবৰ নীলমণি ফুকনৰ নামেৰে নামকৰণ কৰিবলৈ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু জিলা সাহিত্য সভাই কালি পৃথকে পৃথকে বিধায়ক তথা জ্যেষ্ঠ মন্ত্ৰী প্ৰশান্ত ফুকনক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু জিলা সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইয়ে স্মাৰক পত্ৰখনত অসমৰ কেইবাখনো বাতৰি কাকত আৰু আলোচনীৰ সৈতে ডিব্ৰুগড়ৰ গৌৰৱ নীলমণি ফুকন জড়িত থকাৰ কথা উল্লেখ কৰে। বিধায়ক শ্ৰী ফুকনে এই বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

ooooooooo

সমগ্ৰ শিক্ষা, চিৰাঙৰ অধীনত বিজনী বিধানসভা সমষ্টিৰ অন্তৰ্গত বাগৰগাঁও আঞ্চলিক হাইস্কুলৰ নৱনিৰ্মিত দুমহলীয়া বিদ্যালয় ভৱন কালি উদ্বোধন কৰা হয়। বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে এই নতুন ভৱনটো উদ্বোধন কৰে। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooooooo

আজিৰ দিনৰ ১ বাজি ২০ মিনিটত প্ৰাসংগিক অনুষ্ঠানত শুনিবলৈ পাব পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতীৰ সৈতে এটা সাক্ষাৎকাৰ। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ মঙলদৈৰ সংবাদদাতা ময়ুখ কুমাৰ গোস্বামীয়ে।

ooooooooo

সমাপ্ত